# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::**

১।	কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত কাজিৰঙাত অনুষ্ঠিত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ বৈঠকত এহেজাৰ ৪শ কোটিতকৈ অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ।

২।	অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ বাজেট অধিবেশন। কোকৰাঝাৰৰ বিটিচি বিধায়িনী পৰিষদ ভৱনত প্ৰথম দিনাৰ কাৰ্যসূচী।

৩।	উমৰাংছুৰ অবৈধ কয়লাখনিত ঘটা ঘটনাৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈকে দুজন লোকক গ্ৰেপ্তাৰ।

৪।	ভোগালী বিহুৰ প্ৰাকক্ষণত ৰাজ্যৰ বিভিন্ন ঠাইত ভোগালী মেলাৰ আয়োজন। ***আৰু***

৫।	ৰাজকোটত অনুষ্ঠিত মহিলা ক্ৰিকেটত আয়াৰলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৬ উইকেটত জয়লাভ।

০০০০

আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ আজি কাজিৰঙাত অনুষ্ঠিত দ্বিতীয়খন বৈঠকত এহেজাৰ ৪০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে অসম তথা দেশৰ আভ্যন্তৰীন জলপথ পৰিবহন খণ্ডৰ কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সমগ্ৰ দেশতে আভ্যন্তৰীণ জলপথৰ বিকাশৰ বাবে অহা ৫ বছৰত ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ কথা ঘোষণা কৰা হয়। তদুপৰি উপকূলীয় অঞ্চলৰ বিকাশৰ সৈতে সংগতি ৰাখি নদীকেন্দ্ৰীক লোকৰ সামূহিক উন্নয়ন প্ৰকল্প, গুৱাহাটীকে ধৰি দেশৰ ১৫ খন চহৰত ৱাটাৰ মেট্ৰ' প্ৰকল্প, সকলো জলপথৰ বাবে কাৰ্গো প্ৰচাৰ-প্ৰসাৰ আঁচনি আৰু এহেজাৰখন জাহাজক সেউজ জাহাজলৈ ৰূপান্তৰৰ কথা ঘোষণা কৰা হয়। অসমৰ আভ্যন্তৰীণ জলপথ খণ্ডৰ বিকাশৰ বাবে এই বৈঠকত পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰৰ পৰা পাণ্ডু বন্দৰলৈ সংযোগী পথ, ১৬ নম্বৰ অৰ্থাৎ বৰাক আৰু দুই নম্বৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় জলপথত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয়, বৰাক নদীৰ বাবে এখন জৰীপ জাহাজ ক্ৰয় আদি বিভিন্ন ঘোষণা কৰা হয়। বৈঠকত লগতে জাহাজ আৰু কৰ্মচাৰী পঞ্জীয়নৰ বাবে ডিজিটেল ইণ্ডিয়া নামৰ কেন্দ্ৰীয় তথ্য সমৃদ্ধ এটা পোৰ্টেল মুকলি কৰা হয়। তদুপৰি ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ্নিৰ্মাণ, আঞ্চলিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন, ৰাজ্যৰ চাৰিটা স্থানত পৰ্যটন টাৰ্মিনেলৰ বিকাশ আদি আন কেইবাটাও প্ৰকল্পত অনুমোদন দিয়া হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত ১০ বছৰত ৰাষ্ট্ৰীয় জলপথসমূহৰ যোগেদি দেশৰ যাতায়াত ব্যৱস্থা উন্নত কৰি তোলা হৈছে। ২০১৪ চনলৈকে দেশত কেৱল ৫টা ৰাষ্ট্ৰীয় জলপথ আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পৰৱৰ্তী সময়ত দেশৰ প্ৰতিখন ৰাজ্যৰ নদীসমূহক অধ্যয়ন কৰি বৰ্তমান ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ১১১ লৈ বৃদ্ধি কৰা হৈছে। বিগত সময়ছোৱাত

মালবাহী জাহাজ পৰিবহনৰ ক্ষেত্ৰত ভাৰতৰ অভ্যন্তৰীণ জলপথ  উন্নয়ন পৰিষদে ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে বুলিও সোণোৱালে উল্লেখ কৰে।

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিমান, ৰে'ল আৰু পথ যোগাযোগৰ দৰে জলপথ পৰিবহন ব্যৱস্থাকো জনসাধাৰণৰ সুবিধাৰ্থে গঢ়ি তুলিবলৈ আহ্বান জনায়।

অনুষ্ঠানত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, অন্ধ্ৰ প্ৰদেশৰ পথ আৰু ভৱন মন্ত্ৰী বি চি জনাৰ্দন ৰেড্ডী, অৰুণাচল প্ৰদেশৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী অজিং টেচিংঙকে ধৰি আন কেইবাখনো ৰাজ্যৰ মন্ত্ৰী উপস্থিত থাকে।

০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন ১৭ ফেব্ৰুৱাৰীত আৰম্ভ হব। অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী কোকৰাঝাৰৰ বি টি চি বিধায়িনী পৰিষদ ভৱনত অনুষ্ঠিত হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি এই সম্পৰ্কত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিছে। বাজেট অধিৱেশনৰ প্ৰথম দিনাই ৰাজ্যপাল আচাৰ্যই সদনত ভাষণ দিব। বিত্ত মন্ত্ৰী অজন্তা নেওগৰ বাজেট উত্থাপন, বাজেট বিতৰ্ককে ধৰি অধিৱেশনৰ পৰৱৰ্তী দিনকেইটাৰ কাৰ্যসূচী দিছপুৰৰ অসম বিধানসভা ভৱনতে অনুষ্ঠিত হ'ব।

০০০০

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ উদ্ধাৰ অভিযানৰ আজি পঞ্চম দিনাও খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। এই উদ্ধাৰ কাৰ্যত সহায়ৰ বাবে নাগপুৰৰ পশ্চিম ক'ল ফিল্ড লিমিটেডৰ পৰা অহা দলেও অভিযান নামি পৰিছে। দলটোৱে অত্যাধুনিক পানী নিষ্কাষণ যন্ত্ৰৰে প্ৰতি মিনিটত ৫০০ গেলন পানী সিঁচাৰ কাম অব্যাহত ৰাখিছে। নৌ সেনা বাহিনী, এন ডি আৰ এফ, এছ ডি আৰ এফ, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আৰু জিলা প্ৰশাসনু সমূহীয়া প্ৰচেষ্টাৰ পাছতো কয়লা খনিটোত পানীৰ পৰিমাণ হ্ৰাস কৰিব পৰা হোৱা নাই বুলি উদ্ধাৰ অভিযান তদাৰকী কৰা এগৰাকী শীৰ্ষ বিষয়াই প্ৰকাশ কৰিছে।

ইফালে, ডিমা-হাচাও আৰক্ষীয়ে আজি অবৈধ কয়লাখনিটোৰ  শ্ৰমিকৰ চৰ্দাৰ বুলি পৰিচিত হান্নান লস্কৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাত এতিয়ালৈকে দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হোৱা এই আলোচনা চক্ৰত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে উপস্থিত থাকি তেওঁলোকৰ মতামত আগবঢ়ায়। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়েও আজি বড়ো সাহিত্য সভাৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ডিমাকুছি

শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰে। আজিৰ কাৰ্যসূচীৰ ভিতৰত আছিল চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে সাহিত্য সভাৰ বিশেষ মত বিনিময় অনুষ্ঠান আৰু সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে উদ্বোধন কৰা কবি সন্মিলন।

০০০০

ভোগালী বিহুলৈ মাজত ৩টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। জীয়ৰী-বোৱাৰীসকল পিঠা-পনা, সুস্বাদু বিহুৰ জলপানকে ধৰি উপাদেয় সামগ্ৰী প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰাৰ বিপৰীতে ডেকাসকল মেজি, ভেলাঘৰ সাজি উলিয়াইছে। ভোগালী বিহুৰ উৰুকাৰ বতৰত ৰাজ্যৰ অন্যান্য বজাৰৰ লগতে দৰং জিলাৰ বজাৰসমূহতো চাহিদা অনুসৰি থলুৱা মাছৰ যোগান ধৰাৰ বাবে লখিমপুৰ, বৰুৱাবিল আদি স্থানীয় মীন মহল আৰু মীন উৎপাদকসকল সাজু হৈছে। ইপিনে, বিহুৰ বতৰত মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ পশুপালন আৰু পশু চিকিৎসা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

ভোগালী বিহুৰ প্ৰাকক্ষণত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ভোগালী মেলাৰ আয়োজন কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ শোণিতপুৰ শাখাৰ উদ্যোগত তেজপুৰ চাৰ্চ্চ ফিল্ডত আজি বিধায়ক পৃথ্বীৰাজ ৰাভাই ভোগালী মেলা উদ্বোধন কৰে। এই ৩ দিনীয়া মেলাত জিলাখনৰ ৩০ টাৰো অধিক আত্মসহায়ক গোটৰ সদস্যই পৰম্পৰাগত বস্ত্ৰ, জলপান, পিঠাপনাকে ধৰি খাদ্য সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰিছে। এই মেলাত টেকেলীভঙা, কণীযুঁজ আদিকে ধৰি বিভিন্ন খেল ধেমালীৰো আয়োজন কৰা হৈছে।

মৰিগাওঁ জিলাৰ বিহুতলীত ৩ দিনীয়া কাৰ্যসূচীৰে ভোগালী মেলা অনুষ্ঠিত হৈছে। এই মেলাত জিলাখনৰ ৫ টা উন্নয়ন খণ্ডৰ ৩২ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। তিৱা জনগোষ্ঠীৰ জনপ্ৰিয় শিল্পী ভগৱান সেনাপতিয়ে প্ৰতিবছৰৰ দৰে এইবাৰো ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ এটা ভেলাঘৰ সাজি উলিয়াইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমনিখালী গাঁৱৰ এই শিল্পকৰ্ম পৰিদৰ্শন কৰি আনন্দ প্ৰকাশ কৰে।

গোৱালপাৰা চহৰৰ ভালুকডুবি শালবাৰী প্ৰাথমিক বিদ্যালয় খেলপথাৰত আজিৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে ভোগালী মেলাৰ আয়োজন কৰা হৈছে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন কৰা এই মেলাত জিলাখনৰ ৮ টা উন্নয়নখণ্ডৰ আত্মসহায়ক গোটৰ মহিলাসকলে অংশগ্ৰহণ কৰিছে।

০০০০

শিৱসাগৰ জিলা আয়ুক্তই জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত লালিগুৰ বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে জিলা দণ্ডাধীশ, অতিৰিক্ত জিলা দণ্ডাধীশ আৰু পশু চিকিৎসা বিষয়াৰ পূৰ্বৰ অনুমতি সাপেক্ষে পশু খাদ্যৰ বাবে লালিগুৰ ক্ৰয় কৰিব পাৰিব। এই নিৰ্দেশনা অহা দুমাহলৈ বাহাল থাকিব। কোনো ব্যক্তিয়ে এই নিৰ্দেশনা উলংঘা কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে।

০০০০

শোণিতপুৰৰ জিলা দণ্ডাধীশে আজি এটা নিৰ্দেশ যোগে জিলাখনৰ গহৈমাৰী মৌজাৰ খলিহামাৰি গাঁৱৰ দেৱেন্দ্ৰ নগৰত অৱস্থিত ফায়াৰিং ৰেঞ্জক সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰিছে। সশস্ত্ৰ সীমা বাহিনী চমুকৈ এছ এছ বিৰ অধীনৰ এই অঞ্চলটোত বাহিনীটোৰ জোৱান, বিষয়া, জিলা প্ৰশাসনৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত আৰক্ষীৰ লোকৰ বাহিৰে

সৰ্বসাধাৰণ ৰাইজৰ প্ৰৱেশ আৰু চলাচল আজিৰে পৰা নিষিদ্ধ কৰা হৈছে। অসম ৰাজহুৱা শৃংখলা ৰক্ষা আইন-১৯৬০ৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কচুতলীত উচ্ছেদ চলোৱাত স্থগিতাদেশ জাৰি কৰিছে। লগতে ন্যায়ালয়ে অহা ২৯ জানুৱাৰীৰ ভিতৰত কচুতলীৰ উচ্ছেদ সন্দৰ্ভত স্থিতি স্পষ্ট কৰি চৰকাৰক এখন শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যোৱা ৩০ ডিচেম্বৰত কামৰূপ মহানগৰ জিলা প্ৰশাসনে ১৫ দিনৰ ভিতৰত স্থান খালী কৰাৰ বাবে কচুতলীৰ একাংশ লোকলৈ জাননী জাৰি কৰিছিল। কিন্তু এই জাননী আইনৰ পৰিপন্থী বুলি সেই লোকসকলে উচ্চ ন্যায়ালয়ত লিখিত আবেদন কৰিছিল। এই আবেদনৰ শুনানীত উচ্চ ন্যায়ালয়ে কচুতলীৰ উচ্ছেদ সন্দৰ্ভত স্থগিতাদেশ জাৰি কৰে।

০০০০

অসমৰ চৰ চাপৰিৰ সাহিত্য সভাৰ দ্বিতীয় দ্বিবাৰ্ষিক অধিবেশন আজিৰ পৰা তিনিদিনীয়াকৈ বৰপেটা জিলাৰ জনীয়াত অনুষ্ঠিত হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে আজি গছপুলি ৰোপণ পৰম্পৰাগত খাদ্য আৰু লোক সংস্কৃতিৰ প্ৰদৰ্শনী উদ্বোধন, সৰ্বধৰ্ম প্ৰাৰ্থনা আদি অনুষ্ঠিত হয়। তদুপৰি কৰ্মসংস্থাপনৰ ক্ষেত্ৰত যুৱ উদ্যে
াগীসকলৰ সমস্যা বিষয়ক এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। ০০০০০

০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা কিতাপৰ বৰ্ষৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মৰিগাওঁ জিলাত শিক্ষা বিভাগৰ উদ্যোগত বিদ্যালয়সমূহত পুথিভঁড়াল সমৃদ্ধকৰণ অভিযান আজি মুকলি কৰা হয়। শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোৰৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰি শিশুসকলক পুথি পঢ়ি জ্ঞানৰ ভড়াল চহকী কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মৰিগাওঁ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু উপ পৰিদৰ্শকৰ লগতে শতাধিক অভিভাৱক আৰু বিদ্যালয়সমূহৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ০০০০

০০০০

গুৱাহাটী মহানগৰীৰ সমীপৰ জৈৱ বৈচিত্ৰৰে ভৰা দীপৰ বিলত শেহতীয়া গণনা অনুসৰি ১০৫টা প্ৰজাতিৰ ১২ হাজাৰ ২৪৫ টা চৰাই থকাৰ সম্ভেদ পোৱা গৈছে। গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলে এছীয় জলজ চৰাই গণনা ২০২৫ৰ অধীনত কালি পুৱা দীপৰ বিলৰ ৰামচাৰ খণ্ডত চলোৱা এই গণনাত এই বিশালসংখ্যক জলজ চৰাইৰ উপস্থিতি ধৰা পৰে। দীপৰ বিলৰ জৈৱ বৈচিত্ৰ আৰু জলাশয়খনৰ পৰিৱেশ তন্ত্ৰক নথি ভুক্ত কৰিবলৈ চলোৱা এই গণনাত বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাটাও স্বেচ্ছাসেৱী সংগঠন, ছাত্ৰ-ছাত্ৰী আৰু ভাৰতীয় প্ৰশাসনীয় সেৱাৰ প্ৰাক্তন বিষয়া তথা পক্ষীবিদ ড০ আনোৱাৰ উদ্দিন চৌধুৰীয়েও অংশগ্ৰহণ কৰে। গুৱাহাটী বন্য প্ৰাণী সংমণ্ডলৰ বন সাংমণ্ডলিক বিষয়া পি মণিকা কিশোৰে আজি এই পক্ষী গণনাৰ তথ্য সদৰি কৰে আৰু এই কামত সহযোগ কৰাৰ বাবে স্বেচ্ছাসেৱী সংগঠন আৰু ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনায়।

০০০০

দৈনিক জনমভূমি কাকতৰ চাৰিঙৰ সংবাদদাতা পদ্মলোচন খনিকৰক ২০২৪ বৰ্ষৰ কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী সাংবাদিকতা বঁটা আগবঢ়োৱা হৈছে। ১৯৯৭ চনৰ পৰা বিভিন্ন বাতৰি কাকতত সংবাদদাতাৰূপে কাম কৰি অহা খনিকৰে ইয়াৰ আগতে সংবাদ বন্ধুকে ধৰি আন কেইবাটাও বঁটা লাভ কৰিছে। দৈনিক জনমভূমিৰ প্ৰতিষ্ঠাপক কনক

চন্দ্ৰ শৰ্মাৰ স্মৃতিত প্ৰতিবছৰে আগবঢ়াই অহা এই বঁটা কাইলৈ দৈনিক জনমভূমি কাকতৰ গুৱাহাটীৰ কাৰ্যালয়ত শ্ৰী খনিকৰক প্ৰদান কৰা হ'ব।

oooo

যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে আজি তিনিচুকীয়া জিলাৰ ডিগবৈ, ডুমডুমা, তিনিচুকীয়া আৰু ৰূপাই চাইদিং ভ্ৰমণ কৰি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে সমাগত পঞ্চায়ত নিৰ্বাচন সম্পৰ্কত আলোচনা কৰে। পাছত ডিগবৈত তেওঁ উমৰাংছ' ঘটনাত চৰকাৰৰ ভূমিকাৰ প্ৰতিবাদত আয়োজন কৰা এটা প্ৰতিবাদী কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সাংসদগৰাকীয়ে ২০২১ চনতে ন্যায়াধীশ গজেন্দ্ৰ প্ৰসাদৰ প্ৰতিবেদনত এন্দুৰৰ গাঁত সদৃশ খনি বন্ধ কৰাৰ বাবে দিয়া স্পষ্ট নিৰ্দেশ অসম চৰকাৰে গ্ৰহণ নকৰা বুলি অভিযোগ কৰে।

oooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী তুষণ চাহুৱে আজি দৰং জিলা ভ্ৰমণ কৰি মঙলদৈ আৰু খাৰুপেটিয়া পৌৰসভা এলেকাত ৰূপায়ণ হৈ থকা কেইবাখনো আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে খাৰুপেটিয়াত আত্মসহায়ক গোটৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে নগৰীয়া জীৱিকা অভিযানৰ অধীনত গোটসমূহে প্ৰস্তুত কৰা বিভিন্ন সা-সামগ্ৰী প্ৰত্যক্ষ কৰি সন্তুষ্টি প্ৰকাশ কৰে।

oooo

ৰাজকোটৰ সৌৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত আয়াৰলেণ্ডৰ বিৰুদ্ধে মহিলাৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি ভাৰতে আয়াৰলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। ভাৰতে ২৩৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৩৪ অভাৰ ৩টা বলতে প্ৰতিকা ৰাৱাল আৰু তেজল হাছাবানিছৰ দুৰ্দান্ত বেটিঙৰ সহায়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। প্ৰতিকাই ৮৯ ৰান কৰাৰ বিপৰীতে হাছাবানিছে ৫৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে আয়াৰলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২৩৮ ৰান কৰে।

শৃংখলাটোৰ দ্বিতীয়খন খেল অহা দেওবাৰে অনুষ্ঠিত হ'ব।

oooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠানতে ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডং শাশ্বতী গোস্বামীয়েও বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

oooo

সমাপ্ত